# PAPER-III
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ____________________________
   (Name) ____________________________
2. (Signature) ____________________________
   (Name) ____________________________

OMR Sheet No. : ..............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.________________________________
(In words)

**D 3 6 1 3**

Time : **2 $\frac{1}{2}$** hours] [Maximum Marks : **150**

Number of Pages in this Booklet : **16**

Number of Questions in this Booklet : **75**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of seventy five multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** Ⓐ Ⓑ ● Ⓓ
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the test question booklet and Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचहत्तर बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण :** Ⓐ Ⓑ ● Ⓓ
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं ।**

# ASSAMESE

## অসমীয়া

## Paper – III

## প্ৰশ্নকাকত– III

**Note :** This paper contains **seventy five (75)** objective type questions, each question carrying **two (02)** marks. Attempt **all** of them.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(৭৫) (পয়সত্তৰ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই (২)** । সকলো প্ৰশ্নৰ উত্তৰ কৰিবা ।

তলৰ **1**ৰ পৰা **20** লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।

**1.** ‘গুৰু-চৰিত’ত থকা আৰু ভকতীয়া সমাজত প্ৰচলিত অনেকখিনি ফকৰা তলৰ কোনজনৰ নামেৰে সৈতে জড়িত হৈ আছে ?

(A) মাধৱদেৱ

(B) নাৰায়ণদাস ঠাকুৰআতা

(C) বদুলা আতা

(D) গোপাল আতা

**2.** বজ্ৰযানী সকলৰ মতে নিৰ্বাণৰ তিনিটা উপাদান - শূন্য, বিজ্ঞান আৰু মহাসুখ । ইয়াত শূন্য মানে কাক বুজোৱা হৈছে -

(A) ইন্দ্ৰজাল (B) বোধিচিত্ত

(C) নৈৰাত্মা (D) প্ৰমাদ

**3.** শেৱালি নেৱালি পলাশ পাৰলি
পাৰিজাত যুতি জাই
বকুল বন্দুলি আছে ফুলি ফুলি
তাৰো সীমা সংখ্যা নাই ।

মহাপুৰুষৰ শংকৰদেৱে তেওঁৰ কীৰ্তন আৰু দশমৰ মাজেৰে নৈসৰ্গিক প্ৰকৃতিৰ অপূৰ্ব ৰূপ চিত্ৰিত কৰিছে । উদ্ধৃত কাব্যাংশ মহাপুৰুষৰ কীৰ্তন ঘোষাৰ কোনটো অধ্যায়ত আছে -

(A) ৰাসক্ৰীড়া

(B) হৰমোহন

(C) প্ৰহ্লাদ চৰিত্ৰ

(D) অজামিল উপাখ্যান

**4.** কোনখন গ্ৰন্থক বৈষ্ণৱ ধৰ্মৰ প্ৰথম পুথি বুলি জনা যায় -

(A) হৰগৌৰী সম্বাদ

(B) প্ৰহ্লাদ চৰিত

(C) জয়দ্ৰথ বধ

(D) সাত্যকি-প্ৰৱেশ

**5.** পীতাম্বৰ কবিক ‘পীতাম্বৰ দাস’ বুলি উল্লেখ কৰা গ্ৰন্থখন হ’ল -

(A) Aspects of Early Assamese Literature

(B) Early History of Kamrupa

(C) পুৰণি অসমীয়া সাহিত্য

(D) পুৰণি অসমীয়া কথা-সাহিত্য

**6.** তলৰ কবিতাবোৰৰ কোনটো অমূল্য বৰুৱাই ৰচনা কৰা নহয় ?

(A) বিপ্লৱী

(B) কুকুৰ

(C) বান্দৰ

(D) বেশ্যা

**7.** তুলনামূলক সাহিত্যৰ এটি গুৰুত্বপূৰ্ণ দিশ হ’ল -

(A) গল্প

(B) কবিতা

(C) অনুবাদ

(D) জীৱনী সাহিত্য

**8.** চনেট কৰিতা সংগ্ৰহণ (Reception) ৰ কোনটো ৰূপৰ নিদৰ্শন

(A) অনুকৰণ (Imitation)

(B) অনুকুলন (Adaptation)

(C) অনুৰণন (Resonance)

(D) অনুপ্ৰেৰণা (Inspiration)

**9.** অমলেন্দু গুহই ৰচনা কৰা কবিতাটো চিনাক্ত কৰা -

(A) ৰঙা জিঞা (B) তোমালৈ

(C) ৰৌদ্ৰ কামনা (D) মন্বন্তৰ

**10.** মান্য অসমীয়া ভাষাত শ্বাসাঘাত ক'ত পৰে ?

(A) আদ্যাক্ষৰত (B) উপধাক্ষৰত

(C) মধ্যাক্ষৰত (D) অন্ত্যাক্ষৰত

**11.** অসমীয়া লিপিৰ প্ৰথম নিদৰ্শন দেখিবলৈ পোৱা শিলালিপি খনৰ নাম -

(A) উমাচল শিলালিপি

(B) নগাজৰী খনিকৰ গাঁৱৰ লিপি

(C) কানাই বৰশী বোৱা

(D) আমতল শিলালিপি

**12.** অসমীয়া ক্ৰিয়াবাচক পৰসৰ্গৰ উদাহৰণ হ'ল -

(A) -অন, -আৰু, -উৱা

(B) -চোন, -হবলা, -দেই

(C) -খন, -কোৱা, -জোপা

(D) -বোৰ, -বিলাক, -হঁত

**13.** "কাকতৰ টোপোলা" পঢ়িবও পাৰি, নপঢ়িবও পাৰি আৰু পঢ়ি যাৱজ্জীৱনলৈকে নাপাহৰিবও পাৰি" বুলি উক্তি কৰা ব্যক্তিজন -

(A) কৃপাবৰ বৰুৱা

(B) মহেশ্বৰ নেওগ

(C) অতুলচন্দ্ৰ হাজৰিকা

(D) নগেন শইকীয়া

**14.** Enoch Arden কবিতাৰ আলমত ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা উপন্যাসখনৰ নাম -

(A) ৰহদৈ লিগিৰী

(B) ৰঙ্গিলী

(C) নিৰ্মল ভকত

(D) দন্দুৱা দ্ৰোহ

**15.** চমাংকান নৃত্যৰ উদ্দেশ্য হ'ল -

(A) প্ৰজনন শক্তি বৃদ্ধি

(B) দেৱ-দেৱীৰ অৰ্চনা

(C) মৃতকৰ প্ৰতি শ্ৰদ্ধা

(D) বসন্ত-বন্দনা

**16.** টুচু পূজা কোন জনগোষ্ঠীয়ে পালন কৰে -

(A) কাৰ্বি জনগোষ্ঠী

(B) হাজং জনগোষ্ঠী

(C) ৰাভা জনগোষ্ঠী

(D) চাহ জনগোষ্ঠী

**17.** 'কংগ্ৰেছৰ কাঁচিয়লি-ৰ'দ' গ্ৰন্থখনিৰ লেখক হ'ল -

(A) কনকলাল বৰুৱা

(B) বেণুধৰ শৰ্মা

(C) অম্বিকাগিৰি ৰায়চৌধুৰী

(D) জ্ঞানদাভিৰাম বৰুৱা

**18.** ‘বৈষ্ণৱ ধৰ্মৰ আতি-গুৰি’ গ্ৰন্থখনিৰ ৰচক

(A) মহেশ্বৰ নেওগ

(B) ডিম্বেশ্বৰ নেওগ

(C) ৰূপচন্দ্ৰ মহন্ত

(D) সত্যেন্দ্ৰনাথ শৰ্মা

**19.** “সৌন্দৰ্য্যৰ আৰাধনা জীৱনৰ খেল” বুলি কবিতাৰ মাজেৰে উল্লেখ কৰা কবিজনৰ নাম -

(A) লক্ষ্মীনাথ বেজবৰুৱা

(B) চন্দ্ৰকুমাৰ আগৰৱালা

(C) জ্যোতিপ্ৰসাদ আগৰৱালা

(D) হেমচন্দ্ৰ গোস্বামী

**20.** তলত নাম দিয়া কোনখন পুথি পদ্মনাথ গোহাঞি বৰুৱাই ৰচনা কৰিছে -

(A) ফুলৰ চাকি (B) জুৰণি

(C) জিলিকনি (D) ঢোপাকলি

**21.**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. মাকতকৈ জীয়েক কাজী, ঢেকী থোৰাৰে বটে পাজী । | i. ফকৰা |
| b. ভাদৰ চাৰি আহিনৰ চাৰি, মাহ ৰুবা যত পাৰি । | ii. সাথৰ |
| c. তিনি তেৰ মধ্যে বাৰ ন দি যোগ কৰ; তাৰপিছত লগাই ৰাম পাৰ কৰি দিয়া ঘৰলৈ যাম । | iii. ডাকৰ বচন |
| d. ব্ৰহ্মাক মাৰিবা বিষ্ণুক মাৰিবা ৰুদ্ৰক নিদিবা ঠাই । মহা মহা মহন্তক মৰিয়াই মাৰিবা তেহে পাবা বৈকুণ্ঠত ঠাই । | iv. খণ্ড বাক্য |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | ii | i |
| (B) | iii | iv | ii | i |
| (C) | i | ii | iii | iv |
| (D) | ii | iii | iv | i |

**22.**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. তোমাৰ মৰমত চেনাই ঐ দিখৌ নৈ এৰিব পাৰো আৰু বহুত নৈ এৰিব পাৰো । | i. জ্ঞানানন্দ শৰ্মা পাঠক |
| b. ভাবি চালে লিলিমাই এই জীৱনত একো নাই । | ii. হীৰেন ভট্টাচাৰ্য |
| c. মোৰ দেশৰ বৰষুনে তোমাৰ বুকুখন তিয়াব নোৱাৰিলে । | iii. হেম বৰুৱা |
| d. মূগ্ধ ৰাতিৰ দিলৰুবাত কাৰ জোনাকী হাত । | iv. অজিৎ বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | ii | i | iii |
| (B) | iii | iv | i | ii |
| (C) | i | ii | iii | iv |
| (D) | ii | iv | iii | i |

**23.**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. Assamese Comedy | i. শৈলেন ভৰালী |
| b. Post war-Assamese novel | ii. প্ৰভাত সভাপণ্ডিত |
| c. Tragic outlook in Assamese Drama | iii. বসন্ত শৰ্মা |
| d. Sociological Study of Assamese Novel | iv. উমেশ ডেকা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | iv | ii | i | iii |
| (C) | ii | i | iii | iv |
| (D) | i | ii | iii | iv |

**24.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | অগ্নি কবি | i. | বিনন্দ চন্দ্ৰ বৰুৱা |
| b. | ধ্বনি কবি | ii. | প্ৰসন্নলাল চৌধুৰী |
| c. | বিদ্ৰোহী কবি | iii. | যতীন্দ্ৰনাথ দুৱৰা |
| d. | যদু কবি | iv. | কমলাকান্ত ভট্টাচাৰ্য |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | ii | i |
| (B) | i | ii | iii | iv |
| (C) | iv | i | ii | iii |
| (D) | ii | iii | iv | i |

**25.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | A few remarks of the Assamese Language | i. | এ.জে. মফাট্ মিল্‌ছ |
| b. | Grammatical notices of the Assamese Language | ii. | আনন্দৰাম ঢেকিয়াল ফুকন |
| c. | Grammar of the Assamese Language | iii. | ডক্টৰ নেথান্ ব্ৰাউন |
| d. | Report on the Province of Assam | iv. | ৰবিন্‌ছন্ ছাহাব |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | i | ii | iii | iv |
| (C) | ii | iii | iv | i |
| (D) | iv | i | ii | iii |

**26.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | -আৰী (জুৱাৰী) | i. | ক্ৰিয়া বিশেষণ |
| b. | -আই (বেগাই) | ii. | নামধাতু |
| c. | -ওঁতা (কৰোঁতা) | iii. | বিশেষ্য |
| d. | -আ (বহলা) | iv. | কৃদন্ত |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | i | ii |
| (B) | iii | i | iv | ii |
| (C) | iii | iv | ii | i |
| (D) | i | ii | iii | iv |

**27.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | সাৱিত্ৰী | i. | দেৱকান্ত বৰুৱা |
| b. | উৰ্মিলা | ii. | পদ্মনাথ গোহাঞিবৰুৱা |
| c. | ঊৰ্বশী | iii. | অৰবিন্দ |
| d. | তিলোত্তমা | iv. | ৰবীন্দ্ৰনাথ ঠাকুৰ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | ii | iv | i |
| (B) | ii | i | iii | iv |
| (C) | iv | ii | i | iii |
| (D) | ii | iii | i | iv |

**28.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | Comparative Literature | i. | ৰেনে ৱেলেক |
| b. | World Literature | ii. | গ্যেটে |
| c. | Comparative Indian literature-some Perspective | iii. | পছ্‌নেট |
| d. | A History of Modern Criticism | iv. | ইন্দ্ৰনাথ চৌধুৰী |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iv | iii |
| (B) | iii | ii | iv | i |
| (C) | iv | iii | ii | i |
| (D) | i | ii | iii | iv |

29. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| a. | সেমেকা পোহৰে সোঁৱৰাই দিয়া তোমাৰ খোপাৰ আবেলি আবেলি গোন্ধ মনত পৰেনে, অৰুন্ধতী । | i. | বিষ্ণু ৰাভা, এতিয়া কিমান ৰাতি |
| b. | প্ৰাণহীন আজি গীত-মাত সুৰ প্ৰাণহীন বিহুতলী বন্দী শিল্পীৰ বেদনাত জাগে জীৱনৰ উন্মাদনা সচাঁ আৱেগৰ ৰোল ! | ii. | পথাৰ |
| c. | এইবাৰ হলে তই আহিব লাগিব বিয়াত নাহিলি নাই এইবাৰে বিহুতেই লগে-ভাগে এসাজ খাবলে সকলোৰে আশা পালি আছে । | iii. | এটা প্ৰেমৰ পদ্য |
| d. | কপালৰ ঘাম লাগি সেউজীয়াপৃথিৱী আমাৰ তুমি প্ৰাণময় মোহময় জীৱন মালিকা । | iv. | সোনজিৰা মাহী নাড়ী |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | i | iv | ii |
| (B) | i | ii | iii | iv |
| (C) | iv | iii | ii | i |
| (D) | ii | iv | i | iii |

30. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| a. | সাহিত্য আৰু সাহিত্য | i. | হীৰেন গোহাই |
| b. | অসমীয়া সাহিত্যৰ অধ্যয়ন | ii. | অতুলচন্দ্ৰ বৰুৱা |
| c. | সমালোচনা সাহিত্য | iii. | হেম বৰুৱা |
| d. | সাহিত্য আৰু চেতনা | iv. | ডিম্বেশ্বৰ নেওগ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | ii | i |
| (B) | i | ii | iii | iv |
| (C) | ii | iv | iii | i |
| (D) | iv | ii | i | iii |

তলৰ **31** ৰ পৰা **35** লৈকে থকা প্ৰশ্নসমূহৰ প্ৰতিটোতে (1) আৰু (2) দুটাকৈ মন্তব্য দিয়া আছে ।

এই সম্পৰ্কে তলত (A), (B), (C), (D) চাৰিটা বিকল্প উত্তৰ দিয়া আছে । তাৰ ভিতৰৰ পৰা শুদ্ধ বিকল্পটো বাছি উলিওৱা :

31. হে পথিক জুৰোৱাহি তাপিত জীৱন ।
ক্ষন্তেক বহিলে হিয়া পৰিব শীতল ।।
ভাগৰুৱা পথিকৰ শান্তি নিকেতন ।
অময়া প্ৰেমৰ পুৰী গিৰি সন্ধ্যাচল ।।

(1) ইয়াত পৰ্যায় পদ ছন্দৰ প্ৰয়োগ হৈছে ।
(2) ইয়াত প্ৰথম আৰু তৃতীয় তথা দ্বিতীয় আৰু চতুৰ্থ শাৰীৰ শেষ আখৰৰ মিলন ঘটোৱা পৰ্যায় পদ ছন্দৰ প্ৰয়োগ হৈছে ।

(A) দুয়োটা মন্তব্যই শুদ্ধ
(B) দুয়োটা মন্তব্যই অশুদ্ধ
(C) মন্তব্য (1) শুদ্ধ আৰু মন্তব্য (2) অশুদ্ধ
(D) মন্তব্য (1) অশুদ্ধ আৰু মন্তব্য (2) শুদ্ধ

32. মৃত্যু কুশল কুশল কোঁৱৰে
বিলাই জীৱন ধন
এ খন্তেকীয়া মৰণ কৰিলে
যুগমীয়া সুমৰণ ।

(1) ইয়াত যমক অলংকাৰৰ প্ৰয়োগ হৈছে ।
(2) ইয়াৰ স্বৰ ব্যঞ্জন বৰ্ণসমূহ একেটা ক্ৰমতে সাৰ্থক-নিৰৰ্থক ৰূপত পুনৰুক্তি হোৱা বাবে যমক অলংকাৰ হৈছে ।

(A) দুয়োটা মন্তব্যই অশুদ্ধ
(B) মন্তব্য (1) শুদ্ধ কিন্তু মন্তব্য (2) অশুদ্ধ
(C) মন্তব্য (1) অশুদ্ধ কিন্তু মন্তব্য (2) শুদ্ধ
(D) দুয়োটা মন্তব্যই শুদ্ধ

**33.** অতিকৈ চেনেহৰ মূগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো;
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নাপাতি কেনেকৈ থাকো ।

(1) ইয়াত ব্যতিৰেক অলংকাৰ হৈছে ।
(2) ইয়াত উপমেয়তকৈ উপমানৰ গুণাধিক্য দেখুওৱা বাবে ব্যতিৰেক অলংকাৰ হৈছে ।

(A) মন্তব্য (1) শুদ্ধ আৰু মন্তব্য (2) অশুদ্ধ
(B) মন্তব্য (1) অশুদ্ধ আৰু মন্তব্য (2) শুদ্ধ
(C) দুয়োটা মন্তব্যই শুদ্ধ
(D) দুয়োটা মন্তব্যই অশুদ্ধ

**34.** (1) চৰ্যাগীতসমূহৰ অনেকটিতে কাব্যিক সৌন্দৰ্য প্ৰকট হৈ উঠিছে -
(2) ভাবৰ গাম্ভীৰ্য আৰু প্ৰকাশৰ তীব্ৰ গভীৰতা প্ৰায়খিনি গীতৰে সম্পত্তি ।

(A) দুয়োটা মন্তব্যই শুদ্ধ আৰু মন্তব্য (2) মন্তব্য (1)-ৰ কাৰণ ।
(B) দুয়োটা মন্তব্যই শুদ্ধ আৰু মন্তব্য (2) মন্তব্য (1)-ৰ কাৰণ নহয় ।
(C) মন্তব্য (1) শুদ্ধ কিন্তু মন্তব্য (2) শুদ্ধ নহয় ।
(D) মন্তব্য (1) অশুদ্ধ আৰু মন্তব্য (2) শুদ্ধ

**35.** (1) 'জোনাকী' তে আৰম্ভ কৰি এই সময়লৈকে (ৰোমান্টিক স্তৰলৈকে) ওলোৱা আলোচনীক কেন্দ্ৰ কৰিয়ে অসমৰ সাহিত্য আন্দোলন চলিছিল ।
(2) সকলোবোৰ আলোচনীয়েই 'জোনাকী'ৰ আদৰ্শকে কম-বেছি পৰিমাণে দাঙি ধৰিছিল ।

(A) দুয়োটা মন্তব্যই শুদ্ধ আৰু মন্তব্য (2) মন্তব্য (1)-ৰ কাৰণ ।
(B) দুয়োটা মন্তব্যই শুদ্ধ আৰু মন্তব্য (2) মন্তব্য (1)-ৰ কাৰণ নহয় ।
(C) মন্তব্য (1) শুদ্ধ কিন্তু মন্তব্য (2) অশুদ্ধ
(D) মন্তব্য (1) অশুদ্ধ কিন্তু মন্তব্য (2) শুদ্ধ

**36.** i. গৰীয়সী
ii. সাতসৰী
iii. প্ৰান্তিক
iv. প্ৰকাশ

| | | | | |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | iv | iii | i | ii |
| (C) | iv | ii | iii | iv |
| (D) | ii | i | iv | iii |

**37.** i. চেতনা
ii. ঊষা
iii. আসাম হিতৈষী
iv. আলোচনী

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iii | iv |
| (C) | ii | iv | i | iii |
| (D) | iv | iii | ii | i |

**38.** i. অসমীয়া ভাই
ii. জ্ঞান মালিনী
iii. ফুলৰ চাকি
iv. ফুলৰ চানেকি

| | | | | |
|---|---|---|---|---|
| (A) | iii | ii | iv | i |
| (B) | i | ii | iii | iv |
| (C) | ii | i | iii | iv |
| (D) | iv | iii | ii | i |

**39.** i. দহিকতৰা ii. সাদৰী
iii. কেতেকী iv. কাৰবালা

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | iii | iv | i |
| (C) | ii | iii | i | iv |
| (D) | ii | i | iv | iii |

**40.** i. আব্দুল মালিকৰ 'ৰাজদ্ৰোহী'
ii. অতুলচন্দ্ৰ হাজৰিকাৰ 'টিকেন্দ্ৰজিৎ'
iii. প্ৰৱীন ফুকনৰ 'মণিৰাম দেৱান'
iv. সুৰেন্দ্ৰনাথ শইকীয়াৰ 'কুশল কোঁৱৰ'

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iii | iv |
| (C) | ii | i | iv | iii |
| (D) | iii | iv | i | ii |

41. i. প্ৰাচীৰ আৰু প্ৰান্তৰ
ii. সেউজী পাতৰ কাহিনী
iii. ডাৱৰ আৰু নাই
iv. এজাক মানুহ এখন অৰণ্য

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | iii | ii | i |
| (C) | ii | iii | i | iv |
| (D) | iii | i | ii | iv |

42. i. বেজবৰুৱাৰ ‘তত্বকথা’
ii. সূৰ্যকুমাৰ ভূঞাৰ ‘আহোমৰ দিন’
iii. গোহাঞিবৰুৱাৰ ‘গীতাসাৰ’
iv. সত্যনাথ বৰাৰ ‘সাৰথি’

| | | | | |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | iv | ii | iii | i |
| (C) | i | iii | ii | iv |
| (D) | iv | ii | i | iii |

43. i. ৰঘুনাথ চৌধাৰীৰ ‘গোলাপ’
ii. চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘তেজীমলা’
iii. নলিনীবালা দেৱীৰ ‘নাটঘৰ’
iv. হেম বৰুৱাৰ ‘বালিচন্দা’

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iii | iv |
| (C) | iii | i | ii | iv |
| (D) | iv | iii | ii | i |

44. i. কাঁইট নথকা ৰূপহী গোলাপ
বোলে পৃথিৱীত নাই ।
(বেজবৰুৱা)

ii. পদুম ফুলৰ পাপৰি নহয়
পাপৰি প্ৰাণৰ মোৰ ।
(গণেশ গগৈ)

iii. উঠ খেতিয়ক নাঙল চলা
লগাই দে ভাই গণ্ডগোল ।
(ধীৰেন্দ্ৰনাথ দত্ত)

iv. ডকা ফুটা গোন্ধ তৰা ফুলা গোন্ধ
ডকা ফুলা গোন্ধ টকা ফুটা গোন্ধ
(অজিৎ বৰুৱা)

| | | | | |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | i | ii | iii | iv |
| (C) | iii | ii | i | iv |
| (D) | ii | i | iii | iv |

45. i. অসমীয়া সাহিত্যত দৃষ্টিপাত
ii. অসমীয়া সাহিত্যৰ কথা
iii. অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
iv. অসমীয়া সাহিত্যৰ ৰূপলেখা

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iii | iv |
| (C) | iv | ii | i | iii |
| (D) | iv | iii | i | ii |

46. i. বুঢ়ীআইৰ সাধু
ii. আখৰৰ জখলা
iii. ৰাংপতা
iv. এগুৰাচনৰ সাধু

| | | | | |
|---|---|---|---|---|
| (A) | iv | ii | iii | i |
| (B) | ii | iii | i | iv |
| (C) | i | iii | iv | ii |
| (D) | iii | i | ii | iv |

47. i. ৰূপোৱালী নদীৰ সোণোৱালী ঘাট
ii. কথা-ৰত্নাকৰ
iii. আন্ধাৰত নিজৰ মুখ
iv. দেওলাংখুই

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iii | iv | ii | i |
| (C) | ii | i | iii | iv |
| (D) | iii | ii | iv | i |

48. i. ঊষা পৰিণয়
ii. গীতি-ৰামায়ণ
iii. নল-দময়ন্তী
iv. কুমৰ-হৰণ

| | | | | |
|---|---|---|---|---|
| (A) | i | iii | ii | iv |
| (B) | ii | i | iii | iv |
| (C) | i | ii | iii | iv |
| (D) | i | iv | iii | ii |

49. i. শ্ৰীধৰ কন্দলি ii. অনন্ত কন্দলি
iii. মাধৱ কন্দলি iv. ৰত্নাকৰ কন্দলি

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | iii | ii | i |
| (C) | iii | i | iv | ii |
| (D) | iii | ii | iv | i |

**50.** i. হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱা

ii. বিশ্বেশ্বৰ বৈদ্যাধিপ

iii. ঘনশ্যাম খাৰঘৰীয়া ফুকন

iv. দুতিৰাম হাজৰিকা

| | | | | |
|---|---|---|---|---|
| (A) | i | iii | iv | ii |
| (B) | ii | i | iii | iv |
| (C) | iii | ii | iv | i |
| (D) | i | ii | iv | iii |

**51.** তুলনামূলক ভাৰতীয় সাহিত্যৰ অধ্যয়নত সাম্প্ৰতিক কালত পণ্ডিতসকলে মনোনিৱেশ কৰিছে । তেওঁলোকৰ উদ্দেশ্য হ'ল -

(A) শৈক্ষিক বিষয় ৰূপে ইয়াক প্ৰতিষ্ঠা কৰা ।

(B) ভাৰতীয় ধ্ৰুপদী সাহিত্যৰ মূল্যায়ন কৰা ।

(C) ভাৰতীয় সাহিত্যৰ জাতীয় চৰিত্ৰক বিচাৰি উলিওৱা ।

(D) বিশ্ব-সাহিত্যৰ পাঠ্যক্ৰমত ইয়াক স্থান দিয়া ।

**52.** মাধৱদেৱ আৰু সুৰদাসৰ মাজত দেখা পোৱা সাদৃশ্য সমূহৰ আধাৰত বিচাৰ কৰিলে দুয়োজনকে এটা দিশত সমপৰ্যায়ৰ বুলি কব পাৰি ।

(A) দুয়োজনেই ধৰ্মপ্ৰচাৰক

(B) দুয়োজনেই ৰাধা-কৃষ্ণৰ লীলা বৰ্ণনা কৰিছে ।

(C) দুয়োজনেই গীতৰ লগতে নাটো ৰচনা কৰিছিল ।

(D) দুয়োজনেই শিশুকৃষ্ণৰ ছবি অঁকাত দক্ষ আছিল ।

**53.** তুমি য'ত আছা, সৰু কাৰাগাৰ
থিয় একেখনি ইটাৰ দেৱাল,
আমি য'ত আছো বৰ পোতাশাল
শত-নাগ পাশে বন্ধা ।
(বিষ্ণু ৰাভা, এতিয়া কিমান ৰাতি)

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ এই কবিতা কেই শাৰীত এটি প্ৰতিবাদী সুৰ ফুটি উঠিছে । কাৰণ -

(A) বিষ্ণু ৰাভা থকা কাৰাগাৰটো সৰু

(B) কবিৰ বাবে সমাজখনেই এটা কাৰাগাৰ

(C) মানুহৰ জীৱন নাগ পাশেৰে বন্ধা

(D) জীৱনটো ইটাৰ দেৱালৰ দৰে বাধাৰে আবদ্ধ

**54.** ব্যঞ্জনাৰে কথা কোৱাত অসমীয়া ভাষা আৰু অসমীয়া মনৰ এটা বিশেষ চৰিত্ৰ আছে ।

(A) অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তিত ব্যঞ্জনা বিশেষ ভাৱে ক্ৰীয়াশীল

(B) ব্যঞ্জনাৰে কথা কোৱাটো অসমীয়াৰ অভ্যাস

(C) অসমীয়া ভাষাত ব্যঞ্জনা নোহোৱাকৈ কথা কোৱা অসম্ভৱ

(D) ব্যঞ্জনাৰে প্ৰকাশে নকৰিলে অসমীয়া ভাষা শুৱলা নহয় ।

**55.** এটা বিশেষ দশকৰ ইতিহাসৰ মাজলৈ প্ৰকৃততে আমি আগ দুৱাৰেদিও সোমাব পাৰো অথবা পিছ দুৱাৰেদিও সোমাব পাৰো ।

(A) এটা দশকৰ ইতিহাসৰ মাজলৈ সোমাবলৈ সাধাৰণতে আগদুৱাৰ আৰু পিছ দুৱাৰেৰে সোমোৱাৰ প্ৰয়োজন ।

(B) এটা দশকৰ ইতিহাসৰ স্বৰূপ অধ্যয়ন কৰিবলৈ হলে দশকটোৰ পূৰ্ৱৱৰ্তী আৰু তাৰো আগৰ দশকসমূহৰ ইতিহাসৰ পটভূমি বিচাৰৰ কথাকে সূচোৱা হৈছে ।

(C) এটা দশকৰ ইতিহাসৰ মাজত সোমোৱা মানে আগদুৱাৰ আৰু পিছদুৱাৰেদি সোমোৱাটো একে কথা ।

(D) এটা দশকৰ ইতিহাসৰ মাজত সোমোৱাটো অত্যন্ত জটিল । গতিকে আগদুৱাৰ আৰু পিছদুৱাৰ সম্পৰ্কে বিশেষ জ্ঞান থকাৰ প্ৰয়োজন ।

**56.** "স্মৃতি মানে আৰম্ভণি সমাপ্তিবিহীন; স্বপ্ন তাৰ গতিপথ ।" ।

(A) কবিৰ মনত আধুনিক চেতনাই জন্ম দিয়া জীৱনৰ স্বৰূপ আৰু জিজ্ঞাসাৰ ই বিমূৰ্ত ৰূপ ।

(B) কবিৰ মতে স্মৃতিৰ কোনো আদি-অন্ত নাই । সপোনেই তাৰ গতিপথ ।

(C) কবিৰ ধাৰণাত জীৱন যন্ত্ৰণাময় আৰু বাস্তৱ কঠিন ।

(D) কবিৰ জীৱনত স্মৃতিয়ে বাৰুকৈয়ে আমনি কৰিছে । তেওঁৰ হেঁপাহ জাগিছে স্বপ্নৰ গতিপথলৈ ।

**57.** পৰ্ব্বতীয়া জুৰিটিৰ জিৰ্‌জিৰণিত
শুনো যেন বিননিৰ সুৰ ।

(A) উপমানক উপমেয় হিচাপে প্ৰতিষ্ঠা কৰাত কবিতা ফাকিত উৎপ্ৰেক্ষা অলংকাৰৰ সৃষ্টি হৈছে ।

(B) পৰ্ব্বতীয়া জুৰিটিৰ জিৰ্‌জিৰণিত বিননিৰ সুৰ শুনা সন্দেহৰ ভিত্তিত অৰ্থাৎ উপমেয়ক উপমান বুলি কৰা একপক্ষীয় ধাৰণাৰ ভিত্তিত উৎপ্ৰেক্ষা অলংকাৰৰ সৃষ্টি হৈছে ।

(C) অনুমানৰ ভিত্তিত উপমানত উপমেয় বিলীয়মান হোৱাৰ বাবে ইয়াত উৎপ্ৰেক্ষা অলংকাৰৰ সৃষ্টি হৈছে ।

(D) উপমেয় আৰু উপমানৰ মধুৰ সম্বন্ধ ঘটোৱা বাবে কবিতাফাকিত উৎপ্ৰেক্ষা অলংকাৰৰ সৃষ্টি হৈছে ।

**58.** নমো নাৰায়ণ,
সংসাৰ তাৰণ,
ভকত তাৰণ,
তোমাৰ চৰণ ।

(A) কবিতা ফাকিত প্ৰতি শাৰীত ৬ টাকৈ অক্ষৰ আৰু দু ভাগ কৈ পদ থকা বাবে কুসুমমালা ছন্দৰ ৰূপ লৈছে ।

(B) কবিতা ফাকিত চুটি চুটি চৰণ থকা বাবে কুসুমমালা ছন্দ হৈছে ।

(C) কবিতা ফাকিত চাৰি চৰণ, প্ৰতি চৰণত ছয় অক্ষৰ আৰু পদান্তত যতি পৰিছে বাবে কুসুমমালা ছন্দ হৈছে ।

(D) কবিতা ফাকি চুটি ছন্দৰ এটা গোট হোৱাৰ বাবে কুসুমমালা ছন্দ হৈছে ।

**59.** অসমীয়া ভাওনা সম্বন্ধেও ক'ব পাৰি যে ভাওনা গুৰু-গোঁসাইৰ ধৰ্ম উপদেশৰ বেদী, সাহিত্য চৰ্চাৰ চ'ৰা আৰু নৃত্য, গীত আৰু বাদ্যৰ অনুশীলন ক্ষেত্ৰ :

(A) ভাওনাই ধৰ্মীয় আৰু মাৰ্গীয় সাধনাৰ বাট মুকলি কৰাৰ বাবে ই এক অনুষ্ঠানত পৰিণত হৈছে ।

(B) ভাওনা অসমীয়া সমাজত জনশিক্ষাৰ মাধ্যমত পৰিণত হৈছে । কিয়নো, ই আধ্যাত্মিক শিক্ষা দিয়ে, সাহিত্য-চিন্তাৰ বাট মুকলি কৰে আৰু সংস্কৃতিৰ বিচিত্ৰ ৰূপৰ অনুশীলন তথা প্ৰসাৰণ সম্ভৱপৰ কৰি তোলে ।

(C) ভাওনা মানুহৰ জীৱন-ধাৰণ প্ৰক্ৰিয়াৰ লগত জড়িত হৈ পৰিছে । কিয়নো ভাওনাত ধৰ্মৰ চৰ্চা, সাহিত্যৰ মৌকোহ আৰু সংস্কৃতিৰ মাদকতা আছে ।

(D) ভাওনাৰ মাজত অসমীয়া মানুহৰ শান্তি আৰু সম্প্ৰীতিৰ বাট মুকলি হৈছে । কিয়নো ই সকলোৰে আদৰণীয় আৰু সকলোকে মনোৰঞ্জনৰ খোৰাক যোগায় ।

**60.** কবিতাৰ লগত হৃদয় আৰু চিন্তাশক্তিৰ ঘাইকৈ সম্পৰ্ক থাকে যদিও কবিতাৰ অনুবাদত প্ৰধান ভূমিকা হ'ল ভাষা জ্ঞানৰ ।

(A) কবিতা অনুবাদ কৰিবলৈ হৃদয়ৰ ইচ্ছা বা অনুভূতিৰ প্ৰয়োজন নহয় ।

(B) চিন্তাশক্তিৰ দ্বাৰা কবিতা বুজিব পাৰি, কিন্তু অনুবাদত ইয়াৰ আৱশ্যকতা মুঠেই নহয় ।

(C) উৎস ভাষা আৰু লক্ষ্য ভাষাৰ ওপৰত দখল থাকিলেহে কবিতাৰ অনুবাদ কৰিব পাৰি ।

(D) কবিতাৰ অনুবাদৰ বাবে মাতৃভাষাৰ জ্ঞানৰ আৱশ্যক ।

61. তুলনামূলক সাহিত্যই আটাইতকৈ বৈচিত্ৰ্যপূৰ্ণ জ্ঞান আৰু সংবেদনশীলতা দাবী কৰে ।

(A) একাধিক বিষয় জনাৰ পিছত আৰু উপলব্ধি কৰাৰ পিছতহে তুলনামূলক সাহিত্য অধ্যয়ন সম্ভৱপৰ ।

(B) তুলনামূলক সাহিত্যৰ বাবে আচহুৱা বিধৰ জ্ঞানৰ আৱশ্যক

(C) যাৰ হৃদয় সংবেদনশীল তেওঁহে কেৱল তুলনামূলক সাহিত্য অধ্যয়নৰ যোগ্য ।

(D) আটাইবোৰ অধ্যয়ন পদ্ধতিতকৈ তুলনামূলক সাহিত্য অধ্যয়ন পদ্ধতি জটিল আৰু কঠিন ।

62. কানাইৰ ৰূপৰ উপমাৰ কিবা ক্ষেম ।
একপুঞ্জ হুয়া আছে গোপিনীৰ প্ৰেম ।।

(A) কানাইক গোপীসকলে ইমান ভাল পায় যে ৰূপৰ কোনো উপমাই তেওঁলোকৰ মনঃপূত নহয় ।

(B) ব্ৰজগোপীকাৰ সমস্ত অনুৰক্তি মিলি যি শৰীৰী ৰূপ হ'ব পাৰে, কানাই সিমানেই সুন্দৰ ।

(C) গোপীসকলে সমস্ত প্ৰেম নিবেদন কৰে একমাত্ৰ সুন্দৰ কানাইৰ প্ৰতি ।

(D) কানাইৰ ৰূপৰ বিষয়ে ব্ৰজৰ গোপীসকলে গভীৰ প্ৰেমেৰ সৈতে উপমা বিচাৰি ফুৰে ।

63. বিহু গীত আৰু বিহু নাচ অসমীয়াৰ জাতীয় ঐতিহ্য । উভয়তে অসমীয়া জাতিৰ চাৰু-শিল্পৰ স্বাভাৱিক স্পৃহা প্ৰকাশিত হৈছে ।

(A) জাতীয় ঐতিহ্যশীল বিহু গীত আৰু বিহু নাচ অসমীয়াৰ বাপতি সাহোন । প্ৰাণচঞ্চল আৱেগ প্ৰকাশ কৰিব পৰা সুৰ আৰু ছন্দৰ লগতে চাৰু শিল্পৰ প্ৰতি এক স্পৃহাও ইয়াত বিদ্যমান ।

(B) জাতীয় জীৱনৰ স্বৰূপ প্ৰকাশক বিহু গীত, বিহু নাচ অসমীয়াৰ প্ৰাণ চঞ্চল উচ্ছলতাৰ প্ৰতীক । বাদ্যযন্ত্ৰৰ সমাহাৰে ইয়াক চাৰু শিল্পৰ ৰূপ দিছে ।

(C) জাতীয় ঐতিহ্যৰ বাহক বিহু গীত আৰু বিহু নাচত বাঁহৰ টকা, ম'হৰ শিঙৰ পেপা, আগলি বাঁহৰ গগনা, ঢোল, বীন, টোকাৰী আদিৰ ব্যৱহাৰে চাৰু শিল্পৰ প্ৰতি-থকা স্পৃহাকে প্ৰতিপন্ন কৰে ।

(D) অসমৰ জাতীয় জীৱনৰ প্ৰতীক বিহু নাচ আৰু বিহু গীত বোৰত চাৰু শিল্পৰ আকৰ্ষণৰ বাবেই বিবিধ বাদ্যযন্ত্ৰ ৰ প্ৰয়োগ কৰা হয় ।

64. লোকসাহিত্যৰ বিষয়বস্তু, ভাব বস্তু আৰু ৰূপবস্তুৰ ওপৰত নিৰ্ভৰ কৰিলে লোক সাহিত্যৰ কেইটিমান সাধাৰণ বৈশিষ্ট্য স্পষ্ট হৈ পৰে । এই কেইটা হ'ল - ধৰ্মীয় ধ্যান-ধাৰণা, সৃষ্টিশীলতা, সাৰ্বজনীনতা আৰু গীতিময়তা ।

(A) আধ্যাত্মিক দৃষ্টিভংগী আৰু মৌলিক সৃষ্টিশীলতা লোকসাহিত্যৰ প্ৰধান বৈশিষ্ট্য, তদুপৰি সৰ্বজনগ্ৰাহ্যতা তথা সাংগীতিক বিশিষ্টতাই লোক সাহিত্যক অপূৰ্ব বাঙ্ময় ৰূপ দিছে ।

(B) লোকসাহিত্যৰ বিষয়বস্তু, ভাববস্তু আৰু ৰূপবস্তুৰ নিৰ্ভৰশীলতাই ইয়াক ধৰ্মীয়, সৃষ্টিশীল, সাৰ্বজনীন আৰু গীতিময় ৰূপ দিছে ।

(C) লোকসাহিত্যৰ বিষয়বস্তু ওপৰখাপৰ । ধৰ্মীয় ধ্যান-ধাৰণা, সৃষ্টিশীলতা, সাৰ্বজনীনতা আৰু গীতিময়তাই ইয়াক প্ৰাণময় আৰু আকৰ্ষণীয় ৰূপ দিছে ।

(D) লোকসাহিত্যক হৃদয়ংগম কৰিবলৈ হলে ইয়াৰ বিষয়বস্তু, ভাৱবস্তু আৰু ৰূপবস্তুৰ প্ৰতি সচেতন হ'ব লাগিব । কাৰণ ইয়াৰ ধ্যান-ধাৰণা আৰু প্ৰাণময়তা উপলব্ধিৰ বাবে বিশিষ্ট গুণৰ প্ৰয়োজন ।

**65.** নাৰৰীয়া, ভাৰৰীয়া, বনৰীয়া আদি শব্দ গঠন প্ৰক্ৰিয়াক সমবৰ্গীয় শব্দসাধনমূলক শ্ৰেণীত ধৰা হয় । কাৰণ -

(A) নাও, ভাও, বন আদি বিশেষ্য শব্দৰ লগত - অৰীয়া কৃৎপ্ৰত্যয় সংযোগ হোৱাৰ ফলত নতুন বিশেষ্য শব্দ গঠন হৈছে ।

(B) নাও, ভাও, বন আদি বিশেষণ শব্দৰ লগত অৰীয়া তদ্ধিত প্ৰত্যয় যোগ হোৱাৰ ফলত নতুন বিশেষ্য শব্দ গঠন হৈছে ।

(C) নাও, ভাও, বন আদি বিশেষ্যৰ লগত- অৰীয়া কৃৎপ্ৰত্যয় যোগ হোৱাৰ ফলত নতুন বিশেষ্য শব্দ গঠন হৈছে অৰ্থাৎ শ্ৰেণীৰ পৰিবৰ্তন ঘটা নাই ।

(D) নাও, ভাও, বন আদি বিশেষ্যৰ লগত- অৰীয়া তদ্ধিত প্ৰত্যয় যোগ হোৱাৰ ফলত নতুন বিশেষ্য শব্দ গঠন হৈছে অৰ্থাৎ শ্ৰেণীৰ পৰিৱৰ্তন ঘটা নাই ।

তলৰ কথাখিনি মনোযোগেৰে পঢ়া আৰু **66** ৰ পৰা **70** লৈ দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰটো (A), (B), (C) আৰু (D) ৰ মাজৰ পৰা বাছি উলিওৱা :

ভাৱতকৈ ভাষা আগেয়ে ব্যক্ত হয়; গতিকে আগৰটিতকৈ পাছৰটি সদায় এখোজ আগ । সেইদৰে দূৰৈৰ ভৱিষ্যতৰ সম্পৰ্কিত ভাষাতকৈ সাহিত্য সদায় এখোজ আগবাঢ়ি যায় আৰু কোনো এটা জাতিয়ে জাতীয় চিনাকী দিবলৈ হ'লে সেই জাতীয় ভাষা আৰু সাহিত্যইহে আগধৰি সেই চিনাকী দিয়ে । কাৰণ জাতীয় অন্তৰতম ভাব, তেজ আৰু প্ৰতিভা বাজ ওলাবলৈ ভাষা আৰু সাহিত্যত বাজে সুগম বাট আন নাই । আকৌ ভাষাতকৈ সাহিত্য এখোজ আগ । সেই কাৰণে জাতীয়ত্বৰ চিনাকী দিয়াত জাতীয় সাহিত্য তাতোকৈ এখোজ আগুৱাই যায় । গতিকে মানুহৰ জাত আৰু ধৰ্ম সাহিত্যৰ ভেটি হ'লেও, সি সাহিত্যৰ আঁচলত ধৰিহে আগবাঢ়িব পাৰে । সাজপাৰ আদিয়েও এই বিষয়ত সাহিত্যক পাছ পেলাই আগ হ'ব নোৱাৰে । আমাৰ দেশত মাধৱকন্দলি, শংকৰদেৱ, অনন্ত কন্দলি, ৰাম সৰস্বতী এইসকল সাহিত্যিক মহাপুৰুষৰ দ্বাৰা গঢ়িত সাহিত্যই তাৰ বিশিষ্ট প্ৰমাণ । এতেকে মানিব লাগিব, সাহিত্যই জাতীয়ত্বৰ আচল চিনাকী, সাহিত্যই জাতীয়ত্বৰ প্ৰকৃত জীৱন, সাহিত্যৰ অবিহনে কোনো জাতিৰ অস্তিত্ব টিকিবৰ সম্ভাৱনা নাই । যি জাতিৰ সাহিত্য নাই, সেই জাতিৰ ভাষা দোৱান মাথোন, চৰাই-পহুৰ মাতবোলতকৈ সি এখোপ মাথোন ওপৰত । যি জাতিৰ সাহিত্য যেতিয়ালৈকে গঢ় নোলোৱাকৈ থাকে, সেই জাতিৰ জাতীয় জীৱন তেতিয়ালৈকে অনিশ্চিত হৈ ৰয় । যি জাতিয়ে জাতীয় সাহিত্য গঢ়ি তুলিবগৈ নোৱাৰে, সেই জাতিৰ প্ৰাণ নাবাচেগৈ, সি কোনো এটা সাহিত্যৱান বলী, চুবুৰীয়া জাতিত লয় হৈ আপোন অস্তিত্ব হেৰুৱায় । ই নৈসৰ্গিক নিয়ম; ইয়াৰ অন্যথা অসম্ভৱ ।

নৈ যেনেকৈ বৈ যায়, তাক কোনেও বাট লগাব নালাগে, ভাষাও তেনেকৈ আপুনি ওলাই আপুনি ব্যাপ্ত হয়, ইয়াৰ বিস্তাৰত কোনো কৃত্ৰিম উপায় নাখাটে । ভাষাৰ এই স্বাভাৱিক গুণৰ বাবেই এটা ভাষাৰ ঠাইত আন এটা ভাষা থাপিবৰ সাধ্য নাই । এটা জীয়া ভাষাক মাৰি তাক আন এটা জীয়া ভাষাত লয় নিয়াব নোৱাৰি আৰু সেই অৰ্থে বলী জাতিয়ে অস্বাভাৱিক বল প্ৰয়োগ কৰিলেও সি স্থায়ীভাৱে গুণ দিব নোৱাৰে । যোৱা চৈধ্য বছৰমান আগলৈকে, অসমীয়া ভাষাক মাৰি বঙলা ভাষাত

লয় পোৱাবলৈ অৰ্ধ শতাব্দীৰ উৰ্ধ্বকাল অবাৰিত বল প্ৰয়োগ কৰি বিপক্ষদল বিফল মনোৰথ হোৱাই ইয়াৰ জ্বলন্ত সাক্ষী । কাৰণ ব্যাকৰণতহে ভাষাৰ বিশেষত্ব ৰয়, বাক্যাৱলী বা বচনভংগীত নহয় । অসমীয়া ভাষাৰ সাহিত্য আৰু সেই সাহিত্যৰ বিশেষত্ব বঙলা ভাষাৰ সাহিত্যৰ বিশেষত্বৰ পৰা কিমান পৃথক তাক বিবিধ প্ৰসংগত ভালেমান কৃতবিদ্য সাহিত্যিকে বিশেষকৈ বুজাই থৈছে । ব্যাকৰণৰ মজিয়াত খোপনি লৈ পিট খোৱা সুগৰ্বিত সাহিত্যত যিমানেই কি বিদেশী বা বিভাষী শব্দ আৰু বচন-ভংগী সোমাওক লাগে, সি কেতিয়াও সাহিত্যৰ সুকীয়াত্বৰ হানি কৰিব নোৱাৰে, মুঠেই সেই শব্দ আৰু বচন-ভংগী গ্ৰহণ কৰিব আৰু নিজৰ সাঁচত মাৰি ল'ব জানিব লাগে । এই কথাৰ প্ৰমাণ দিবলৈ আমি সৰহ দুখ নকৰি আমাৰ জাতীয় সাহিত্যত বিচাৰি চালেই তাৰ কটকটীয়া পটন্তৰ পামহঁক । শংকৰদেৱে হিন্দী, মাগধী, ব্ৰজবুলি, উড়িয়া আদি ভাষাৰ শব্দ আৰু বচন-ভংগী পাঁচিয়ে পাঁচিয়ে আনি আমাৰ অসমীয়া ভাষাত সুমুৱাৰ পৰা সাহিত্যৰ সুকীয়াত্বত কোনো বিঘ্ন নঘটি তাৰ যে শ্ৰী বৃদ্ধিহে হ'ল, সেই কথা এতিয়া পৈণত সাহিত্যিকসকলে স্বীকাৰ কৰে ।

**66.** জাতিৰ জাতীয়ত্বৰ চিনাকী কিহৰ মাজেদি ফুটি উঠে ?

(A) জাতিৰ জাতীয়ত্বৰ চিনাকী দিবলৈ হ'লে সেই জাতিৰ জাতীয় সাহিত্যই ভাষাতকৈ আগবাঢ়ি যাব লাগিব ।

(B) জাতিৰ জাতীয়ত্বৰ চিনাকী সেই জাতিটোৰ ভাষাৰ জৰিয়তেহে দিব পাৰি ।

(C) জাতিৰ জাতীয়ত্বৰ চিনাকী সেই জাতিৰ ভাষা আৰু সাহিত্যৰ যোগেদি প্ৰকাশ পায় ।

(D) জাতিৰ জাতীয়ত্বৰ চিনাকী দিবলৈ হ'লে ভাষাতকৈ সাহিত্য এখোজ আগবাঢ়ি যাব লাগিব ।

**67.** জাতীয় জীৱন কোন পৰ্যায়ত অনিশ্চিত হৈ পৰে ?

(A) জাতিৰ ভাষা কেৱল কথা তথা দোৱান ৰূপত থাকিলে ।

(B) জাতীয় ভাষা আৰু সাহিত্য চুবুৰীয়া জাতিয়ে গ্ৰাস কৰিলে ।

(C) জাতিৰ জাতীয় অস্তিত্বৰ প্ৰতি সজাগ নোহোৱা পৰ্য্যন্ত ।

(D) জাতিৰ জাতীয় সাহিত্য পূৰ্ণ ৰূপত গঢ় নোলোৱা পৰ্য্যন্ত ।

**68.** এটা জীৱিত ভাষা আন এটা জীৱিত ভাষাৰ লগত জীন নাযায় । কাৰণ -

(A) প্ৰত্যেক ভাষাৰ কিছুমান নিজা বৈশিষ্ট্য থাকে । এনে বৈশিষ্ট্যসমূহ স্বাভাৱিক গুণ সম্পন্ন ।

(B) ভাষাৰ অন্তৰালত স্বাভাৱিক গুণ থকাৰ বাবে সমাজে ইয়াক পৰিচালনা কৰে ।

(C) ভাষাৰ ব্যাকৰণ, বচনভংগী বাক্যৱলী একে নহয় ।

(D) ভাষা জনসাধাৰণৰ মাজত কথিত ৰূপত বৰ্তী থাকে ।

**69.** ভাষাৰ শ্ৰীবৃদ্ধিত কোনবিলাক উপাদানে সহায় কৰে ?

(A) অন্যান্য ভাষাৰ পৰা গ্ৰহণ কৰা শব্দৰাজিক ভাষাই নিজা বচনভংগীৰে গ্ৰহণ কৰিলে ভাষাৰ শ্ৰীবৃদ্ধি ঘটে ।

(B) বিদেশী ভাষাৰ পৰা শব্দ আহৰণে ভাষাৰ শ্ৰীবৃদ্ধিত সহায় কৰে ।

(C) ওচৰ-চুবুৰীয়া অন্যান্য ভাষা আৰু বিদেশী ভাষাৰ পৰা শব্দগত উপাদান সংগ্ৰহ কৰি লোক-জীৱনত ব্যৱহাৰ কৰিলে ভাষাৰ শ্ৰীবৃদ্ধি হয় ।

(D) বিভিন্ন ভাষাৰ পৰা আহৰণ কৰা শব্দসমূহৰ জৰিয়তে জাতীয় সাহিত্য ৰচনা কৰিলে ভাষাৰ শ্ৰীবৃদ্ধি ঘটে ।

**70.** নদীৰ গতিৰ দৰে ভাষাও চিৰপ্ৰৱাহমান । কিয়নো -

(A) ভাষা সমাজৰ প্ৰয়োজনত সৃষ্টি কৰা হয় আৰু কোনো গতিপথত বাধা নোপোৱাকৈ নিজৰ গতিত আগ বাঢ়ি যায় ।

(B) নদীৰ যেনেদৰে উৎস আছে ভাষাৰো তেনেদৰে একোটা মূল থাকে । মূলৰ পৰা গতিৰোধ নোহোৱাকৈ আপোনা-আপুনি ওলায় ।

(C) ভাষাই পৰম্পৰাগত ভাৱে এটা জন্মৰ পৰা আন এটা জন্মলৈ অপৰিবৰ্তিত ৰূপত প্ৰৱাহিত হৈ থাকে ।

(D) নদীৰ গতিৰ দৰে ভাষাৰো যুগ যুগ ধৰি কোনো পৰিবৰ্তন নঘটে ।

তলৰ পাঠ্যাংশটি মনোযোগেৰে পঢ়া আৰু তাৰ তলত **71** ৰ পৰা **75** লৈ দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ সঠিক উত্তৰটো (A), (B), (C) আৰু (D) ৰ মাজৰ পৰা বাছি উলিওৱা :

চল্লিছৰ দশকৰ আগদুৱাৰত চকু থিৰ কৰিলেই দেখিবলৈ পাওঁ যে তাহানিৰ বৰ-অসম সংকুচিত হোৱাত অসমৰ বৰ্তমানৰ ভূ-ভাগৰ সমাজ-সংস্কৃতি এতিয়াও আছে অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ দখলত, যি মধ্যবিত্ত শ্ৰেণীয়ে দেশীয় সামন্তীয় অভিজাত শ্ৰেণীৰ সলনি ইংৰাজ ঔপনিবেশিক শক্তিৰ ওপৰত প্ৰথমে আঁউজি আৰু পিছলৈ সেই শক্তিৰে যুঁজি আত্মপ্ৰতিষ্ঠা কৰোঁতে অসমত আধুনিক যুগৰ সূচনা কৰিছিল । স্বাধীনতাৰ উত্তৰ কালৰ পৰা হৈ অহা বিৱৰ্তনৰ অন্তত আশীৰ দশকৰ শেষত আৰু নৱৈৰ আৰম্ভণিত এতিয়া এনে লাগে যেন সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক-ৰাজনৈতিক কেউটা দিশতে অসমীয়া মধ্যবিত্তৰ নেতৃত্বাধীন অসমীয়া সমাজ ইতিহাসৰ অন্ধগলিতহে সোমাই পৰিছে । অসমীয়া মজলীয়া শ্ৰেণীৰ অৰ্থনৈতিক ভেটি নিশকতীয়া হৈ আছে । আৰু সেয়েই অসমীয়া মধ্যবিত্তৰ পুঁজি-নিৰ্ভৰ সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক শক্তিও বিপৰ্য্যস্ত । পৃথিৱীজোৰা ধনতান্ত্ৰিক সাম্ৰাজ্যবাদ আৰু তাৰ অনুগত ভাৰতীয় পুঁজিবাদৰ মুখামুখি হওঁতে অসমীয়া মধ্যবিত্ত মানসে তাহানিৰ দৰে আজিও বিপন্ন অনুভৱ কৰে ।

দশকে দশকে মূলতঃ ভাষিক জাতীয়তাবাদৰ আদৰ্শত গঢ় লৈ অহা অসমৰ মজলীয়া শ্ৰেণীয়ে অধিক কাৰ্যক্ষম হ'ব পৰা আৰু পূৰ্ণতা থকা ৰাজনৈতিক আদৰ্শ গঢ় দিব বা গ্ৰহণ কৰিব আজিও পৰা নাই । এনে স্থলত সাম্প্ৰতিক অসমত ৰাজনৈতিক আচৰণ মধ্যবিত্তীয় সুবিধাবাদ আৰু আত্মকেন্দ্ৰিক নৈৰাজ্যবাদৰ বিষাল আৰু বিষম গৰাহত সোমাইছেহি বুলি ঠাৱৰাব পাৰি । এই বিধৰ ৰাজনৈতিক সংকটৰ লগে লগে অসমত বৰ্তমানে সংকুচিত হোৱা ভূ-ভাগতে বিচ্ছিন্নতাবাদী উপজাতীয় আন্দোলনবোৰ ভয়াৱহ হৈ পৰাৰ বাটত । ভাষিক জাতীয়তাবাদৰ আদৰ্শত থিয় হোৱা সৰহভাগ অসমীয়া মধ্যবিত্তৰ নিচিনাকৈয়ে উপজাতীয় সমাজবোৰতো অনুৰূপ আদৰ্শৰ অৱলম্বনত গঢ় লৈ বুজন সংখ্যা লাভ কৰা উপজাতীয় মধ্যবিত্তই অসমীয়া মধ্যবিত্তীয় নেতৃত্বৰ ওপৰত আস্থা হেৰুৱাই উপজাতীয় সত্তাত উদয় হোৱা সমৃদ্ধিৰ আকাঙ্ক্ষাক নিজৰ সুকীয়া ভাষিক-সাংস্কৃতিক বাট দেখুৱাবলৈ লৈছে । সাম্প্ৰতিক অসমৰ ৰাজনৈতিক বাস্তৱত ইও অন্য এক উল্লেখনীয় দিশ । বস্তুতঃ একেই আদৰ্শবাদক কেন্দ্ৰ কৰি অসমীয়া মধ্যবিত্তৰ আৰু অসমৰ ক্ষুদ্ৰ জাতিসমূহৰ মধ্যবিত্তৰ হেঁপাহ আৰু ব্যৰ্থতাবোধৰ টনা-আঁজোৰাত অসমত ৰাজনৈতিক অস্থিৰতা ঘন হৈ আহিছে । গুৰুত্ব দি ক'ব লগীয়া কথাটো হ'ল যে সাম্প্ৰতিক অসমৰ বহুত সামাজিক-সাংস্কৃতিক বিভ্ৰান্তিও প্ৰকৃততে অৰ্থনৈতিক আৰু ৰাজনৈতিক সংকটৰ পৰাই আহিছে । তাৰ উপৰিও অৰ্ধসামন্তীয় সুবিধাবাদ আৰু নিশকতীয়া পৰনিৰ্ভৰ পুঁজিবাদে জন্ম দিয়া ফৈৰামি বা দালালিৰ সংস্কৃতিয়ে সাম্প্ৰতিক অসমত অপৰাধ আৰু দুষ্কৃতিক দিছে ক্ৰমৱৰ্ধমান পোতন আৰু আয়তন । এইবোৰৰ বেলিকা প্ৰতিবাদ আৰু প্ৰতিৰোধ সবল হৈ নুঠাটো সাম্প্ৰতিক অসমৰ পটভূমিত আন এক উদ্বেগৰ কাৰণ । সামাজিক অপৰাধেৰে অপৰাধী ডেকা আৰু অভিভাৱক স্তৰৰ শক্তিয়ে ৰাজনৈতিক আচৰণত আগভাগ ল'ব পৰাটো অধুনা কালৰ আন এক ভয়াৱহতা । শিক্ষা বিস্তাৰৰ ফলত অসমীয়া মধ্যবিত্তৰ মাজত হোৱা অভূতপূৰ্ব সাংখ্যিক বিস্ফোৰণৰ লগে লগে আনুপাতিক গুণগত বিকাশ নোহোৱাত জন্ম লভা এটা ছিন্নমূল উৰুলিপুঙা জাতীয় অসমীয়া ডেকাশক্তিৰ উদ্ভৱ হৈছে । আনহাতে ধনতান্ত্ৰিক বিদেশৰ আৰ্হিত গঢ়ি তোলা নিৰ্বাচন নিৰ্ভৰ সৰ্বভাৰতীয় পুঁজিবাদ সমৰ্থিত গণতান্ত্ৰিক কাঠামোৰ মাজত উদ্ভ্ৰান্ত ডেকাশক্তিক সংস্থানৰ সুবিধাৰে নিয়ন্ত্ৰিত কৰাৰ সলনি অধিক দিক্‌হীন আৰু উদ্ভ্ৰান্ত কৰিব পৰা বুনিয়াদহে বাঢ়িছে ।

**71.** অসমত আধুনিক যুগৰ সূচনা কেনেদৰে হৈছিল ?

(A) ইংৰাজ ঔপনিবেশিক শক্তিৰ গাত আঁউজি অসমৰ মধ্যবিত্ত শ্ৰেণীয়ে আত্মপ্ৰতিষ্ঠা লাভ কৰাৰ ফলত অসমত আধুনিক যুগৰ সূচনা হয় ।

(B) অসমৰ মধ্যবিত্ত শ্ৰেণীয়ে ইংৰাজ শক্তিৰ লগত আত্মনিয়োগ কৰাৰ পাছত আত্মপ্ৰতিষ্ঠাৰ বাবে নিজ-শক্তিৰে যুঁজ কৰাৰ ফলত আধুনিক যুগৰ সূচনা হয় ।

(C) দেশীয় অভিজাত শ্ৰেণীৰ লোকে ইংৰাজৰ লগত নিজকে চামিল কৰি দেশীয় শক্তিত যোগ দিয়াৰ ফলত অসমত আধুনিক যুগৰ সূচনা হয় ।

(D) অসমৰ মধ্যবিত্ত শ্ৰেণীৰ লোকে দেশীয় সামন্তীয় শ্ৰেণীৰ সলনি ইংৰাজ ঔপনিবেশিক শক্তিৰ লগত যুঁজ কৰি আত্মপ্ৰতিষ্ঠা লাভ কৰাৰ বাবে অসমত আধুনিক যুগৰ সূচনা হয় ।

**72.** অসমৰ সামাজিক সাংস্কৃতিক অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশ কেইটাৰ অৱনতি হোৱাত প্ৰধান ভূমিকা গ্ৰহণৰ মূল -

(A) অসমীয়া মধ্যবিত্তৰ নেতৃত্বত চলা অসমীয়া সমাজ-জীৱন

(B) মধ্যবিত্তৰ নেতৃত্বাধীন অসমীয়া সমাজৰ ইতিহাস

(C) অন্ধগলিত বসবাস কৰা অসমীয়া মধ্যবিত্তৰ নেতৃত্ব

(D) স্বাধীনতাৰ পাছত অসমীয়া সমাজ-জীৱনলৈ অহা বিৱৰ্তন ।

**73.** অসমৰ মজলীয়া শ্ৰেণীৰ অৰ্থনৈতিক ভেটি নিশকতীয়া হৈ পৰিছে । কাৰণ -

(A) অসমৰ মজলীয়া শ্ৰেণীৰ কামৰ ক্ষেত্ৰখন অধিক পিছপৰা আৰু ৰাজনৈতিক আদৰ্শও গ্ৰহণ কৰিব পৰা নাই ।

(B) ভাষিক জাতীয়তাবাদৰ আদৰ্শত গঢ় লোৱা অসমৰ মজলীয়া শ্ৰেণীয়ে কোনো ৰাজনৈতিক আদৰ্শ গঢ় দিব পৰা নাই ।

(C) অসমৰ মজলীয়া শ্ৰেণীয়ে অধিক কাৰ্য্যক্ষম হৈ পৰিপূৰ্ণ ৰাজনৈতিক আদৰ্শৰ ভেটি স্থাপন কৰিব পৰা নাই ।

(D) অসমৰ মজলীয়া শ্ৰেণী জাতীয়তাবাদৰ আদৰ্শত গঢ় লৈ উঠিছে ।

**74.** সাম্প্ৰতিক অসমৰ ৰাজনৈতিক বাস্তৱৰ বিশেষ উল্লেখনীয় দিশ হ'ল -

(A) ভাৰতীয় জাতীয়তাবাদৰ আদৰ্শত প্ৰতিষ্ঠিত উপজাতীয় সত্তাবোৰে অসমীয়া মধ্যবিত্ত সমাজৰ প্ৰতি অনাস্থা আনি নিজাকৈ ভাষা-সংস্কৃতিৰ উন্নতিৰ বাবে চেষ্টা কৰিছে ।

(B) ভাৰতীয় জাতীয়তাবাদৰ আদৰ্শত উপজাতীয় মধ্যবিত্তই নিজা দৃষ্টিভঙ্গীৰে নিজৰ ভাষিক সংস্কৃতিৰ উন্নতিৰ চেষ্টা কৰিছে ।

(C) ভাৰতীয় জাতীয়তাবাদৰ আদৰ্শত সৰহ সংখ্যক উপজাতীয় মধ্যবিত্তই অসমীয়া মধ্যবিত্তৰ নেতৃত্বৰ ওপৰত আস্থা হেৰুৱাই নিজস্ব চিন্তাৰে ভাষিক-সাংস্কৃতিক পথত অগ্ৰসৰ হৈছে ।

(D) ভাৰতীয় জাতীয়তাবাদৰ আদৰ্শত থিয় হোৱা অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে উপজাতীয় মধ্যবিত্তৰ ওপৰত আস্থা হেৰুৱাটো উদ্বেগৰ কাৰণ ।

**75.** অধুনা কালৰ এক ভয়াবহ ৰূপ সম্ভৱ হৈছে ।

(A) অপৰাধ আৰু দুষ্কৃতিৰ প্ৰতিবাদ আৰু প্ৰতিৰোধ সবল নোহোৱা বাবে ।

(B) দালালি সংস্কৃতিয়ে অসমত অপৰাধ আৰু দুষ্কৃতিক প্ৰশ্ৰয় দিয়াৰ বাবে ।

(C) অৰ্ধসামন্তীয় সুবিধাবাদ আৰু পুঁজিবাদৰ জন্মৰ বাবে ।

(D) সাম্প্ৰতিক কালীন অসম অৰ্থনৈতিক আৰু ৰাজনৈতিক সংকটত পৰা বাবে ।

**Space For Rough Work**